Meghalaya Board of School Education

QUESTION PAPERS

aglasem.com



Total No. of Printed Pages—8

X/24/As

2 0 2 4

ASSAMESE

(INDIAN LANGUAGE)

(FOR CANDIDATES WITH INTERNAL ASSESSMENT)

Full Marks : 80
Pass Marks : 24

(FOR CANDIDATES WITHOUT INTERNAL ASSESSMENT)

Full Marks : 100
Pass Marks : 30

Time : 3 hours

(FOR ALL CATEGORIES OF CANDIDATES)

General Instructions :

(i) The Candidates are advised to attempt all questions accordingly.

(ii) Marks allocated to every question are indicated against each.

(iii) Question Nos. **1** to **15** are to be answered by all Candidates.

(iv) Question Nos. **16** to **20** are to be answered only by the **Candidates without Internal Assessment**.

(গদ্য ভাগ)

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ **এটা** শব্দ বা বাক্যৰে দিয়া (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) লিখক ডিম্বেশ্বৰ নেওগে কোনটো শিক্ষাক প্ৰকৃত শিক্ষা বুলি কৈছে?

(খ) অজন্তাৰ ছবিবোৰত প্ৰকাশ পোৱা ভাব-বস্তু দুটা কি কি?

(গ) গান্ধীজীয়ে নতুন যুগৰ ভাৰতীয় সংস্কৃতি কেনেকুৱা হ'ব লাগে বুলি মত প্ৰকাশ কৰিছে?

(ঘ) অসমীয়া পুৰণি সাহিত্যৰ সমলবোৰ কি কি?

(ঙ) লিখক ডিম্বেশ্বৰ নেওগৰ জন্ম ক'ত হৈছিল?

(চ) ভূকেন্দ্ৰিক বিশ্বধাৰণাৰ প্ৰধান প্ৰবক্তা কোন?

২। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) গাঁৱেই মাতৃস্বৰূপে নগৰক জন্মদি _____ পালন কৰে।

(খ) _____ ভাস্কৰ্যত কোণ আৰু সৰল ৰেখাৰ প্ৰাদুৰ্ভাৱ সৰহ।

(গ) মহেঞ্জোদাৰো আৰু হৰপ্পাৰ সংস্কৃতিয়ে এটা _____ যুগৰ কথা কয়।

(ঘ) _____ দিনতে অসমলৈ ৰেলগাড়ী আহিল।

(ঙ) অসমৰ _____ জনগোষ্ঠীৰ গাঁথনিত অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য ৰক্ষা পৰিছে।

(চ) _____ খ্ৰীষ্টাব্দ বিজ্ঞান তথা মানৱ ইতিহাসৰ এটি উল্লেখযোগ্য বছৰ।

৩। শুদ্ধ নে অশুদ্ধ লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) ছাত্র অৱস্থাত মনৰ গতি বহুমুখী হ'ব লাগে।

(খ) 'ফ্রম ভলগা টু গংগা' নামৰ কিতাপখন পণ্ডিত ৰাহুল সংকৃত্যায়নৰ ৰচনা।

(গ) আব্দুছ ছত্তাৰদেৱৰ দেৱগাঁৱত জন্ম হৈছিল।

(ঘ) ১৭৩৭ চনত নিউটনৰ মৃত্যু হয়।

(ঙ) ঊনৈশ শতিকাৰ পৰা কুৰি শতিকাৰ আগভাগলৈকে এক নতুন প্ৰব্ৰজন আৰম্ভ হৈছিল।

(চ) ১৬৮৭ চনৰ জুলাই মাহত 'প্ৰিনচিপিয়া' প্ৰকাশ হয়।

৪। তলত দিয়া যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫

(ক) ছাত্র জীৱনৰ প্রকৃত উদ্দেশ্য সফল কৰিবলৈ ছাত্রসকলে শিক্ষাৰ সময়-ছোৱাত কেনেবোৰ পন্থা অৱলম্বন কৰিব পাৰে?

(খ) সোতৰ শতিকাৰ কেইটিমান উল্লেখযোগ্য বৈজ্ঞানিক মাইলৰ খুঁটিৰ কথা উল্লেখ কৰা।

(গ) ''ভাৰতীয় সংস্কৃতি এক বিৰাট সমন্বয়ৰ বস্তু''—এই কথাষাৰ কিমানদূৰ যুক্তিপূর্ণ 'ভাৰতীয় সংস্কৃতি' পাঠটোৰ আধাৰত বিচাৰ কৰা।

(পদ্য ভাগ)

৫। তলৰ প্রশ্নকেইটাৰ উত্তৰ **এটা** শব্দ বা বাক্যৰে লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) আজান ফকিৰ ক'ৰ পৰা অসমলৈ আহিছিল?

(খ) হৰে কৃষ্ণ ডেকাৰ একমাত্র উপন্যাসখনৰ নাম কি, লিখা।

(গ) অসমীয়া ৰোমাণ্টিক যুগৰ অন্তিম স্তৰৰ শ্রেষ্ঠ কবি কোন?

(ঘ) 'মোৰ দেশ মানুহৰ দেশ' কবিতাটিৰ মাজেৰে কবিয়ে এই দেশখনক কাৰ দেশ বুলি উল্লেখ কৰিছে?

(ঙ) 'দৃশ্যান্তৰ' কবিতাটিত নিজৰ ঘৰ বিচাৰি নোপোৱা মানুহজন কি আছিল?

(চ) কবি মাধৱদেৱে ৰচনা কৰা মুঠ বৰগীতৰ সংখ্যা কেইটা?

৬। তলত দিয়া যি কোনো **এটা** কবিতাৰ মূলভাৱ চমুকৈ লিখা : ৫

(ক) মোৰ দেশ মানুহৰ দেশ

(খ) দৃশ্যান্তৰ

অথবা

ব্যাখ্যা কৰা :

''সহস্ৰ বয়নে যাৰ নপাৱন্ত সীমা।
অধমে জানিবো কেনে তোমাৰ মহিমা।''

৭। তলত দিয়া যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫

(ক) ''মক্কাৰ দুৱাৰত চাহাব জীৱই মাৰে তালি।
যেনে-শালে শ'লৰ লগত দৰিকাৰ টপালি।।''

ওপৰত উল্লেখ কৰা কথাখিনিৰ অন্তৰ্নিহিত ভাৱটি বিশ্লেষণ কৰা।

(খ) 'দৃশ্যান্তৰ' কবিতাটিৰ বচক কোন? তেখেতৰ এটি চমু পৰিচয় দিয়া। ১+৪=৫

(গ) তাৎপর্য বিচাৰ কৰা :

''সনক সনন্দ যোগী য়াহাকু ধিয়ায়
সকল নিগমে যাক বিচাৰি নপায়''

(দ্রুত পাঠ)

৮। তলত দিয়া শব্দবোৰৰ অর্থ লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

কৃতজ্ঞ; নিমাখিত; মেচেকা; বিধ্বস্ত; নিৰলস; খাঁজ; পকনী; ঐক্যতান।

৯। চমু টোকা লিখা (যি কোনো **দুটা**) : ২$\frac{১}{২}$×২=৫

(ক) উদয় আলোচনী

(খ) খুঁটি-ববাশী

(গ) স্কুলীয়া ল'ৰা থকা জুপুৰি

(ঘ) ৰেজিবুদ্দিন অহমেদ

১০। তলত দিয়া যি কোনো **এটা** প্রশ্নৰ উত্তৰ লিখা : ৫

(ক) ''এইসকল লোক কেৱল শিক্ষক, অভিভাৱক আৰু পথপ্রদর্শকৰূপেই নহয়, একোটা চৰিত্র হিচাপেও মোৰ মনত জীয়াই আছে''—লেখক ভবেন্দ্রনাথ শইকীয়াই কিয় এইদৰে কৈছে? তেওঁ শিক্ষকসকলক কি ৰূপত দেখিছিল? নিজৰ ভাষাত চমুকৈ লিখা।

(খ) হাইস্কুলৰ জীৱনত লিখক ভবেন্দ্রনাথ শইকীয়াৰ লিখা-মেলাৰ দিশটোত কেনেকৈ ক্রমবিকাশ ঘটিছিল তাৰ বর্ণনা দিয়া।

(গ) 'আতংকৰ শেষত' কিতাপখনৰ বিষয়ে চমুকৈ লিখা।

(ব্যাকৰণ ভাগ)

১১। সন্ধি ভাঙা আৰু সন্ধি কৰা (যি কোনো **পাঁচটা**) : ১×৫=৫

মহোৎসব; দেৱালয়; তদুপৰি; মনোযোগ; দিগন্ত;
ইতি + আদি; এক + দশ; সম + গীত; নিঃ + চয়।

১২। তলত দিয়া যি কোনো **এটা** প্রশ্নৰ উত্তৰ লিখা : ৫

(ক) সর্বনাম পদ কাক বোলে? ই কেইবিধ? প্রতিবিধৰ সূত্র লিখি উদাহৰণ দিয়া।

(খ) সন্ধি আৰু সমাসৰ প্ৰভেদ কি? উদাহৰণসহ বুজাই লিখা।

(গ) তদ্ধিত প্ৰত্যয় কাক বোলে? অসমীয়াত ব্যৱহাৰ হোৱা তদ্ধিত প্ৰত্যয়-কেইটা প্ৰত্যেকৰে দুটাকৈ উদাহৰণ দিয়া।

১৩। তোমাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ খেলাধুলাৰ অধিক সা-সুবিধাৰ ব্যৱস্থা হাতত ল'বলৈ বিদ্যালয়ৰ প্ৰধান শিক্ষকলৈ এখন আৱেদনপত্ৰ লিখা। ৫

অথবা

তোমাৰ এটি ভ্ৰমণৰ বৰ্ণনা দি বন্ধু বা বান্ধৱীলৈ এখন পত্ৰ লিখা (তোমাৰ নাম আৰু ঠিকনা উল্লেখ নকৰিবা)। ৫

১৪। তলত দিয়া শব্দবিলাকৰ দুটাকৈ প্ৰতিশব্দ লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

অগ্নি; **ঈশ্বৰ**; নদী; সূৰ্য্য; ৰাতি; বায়ু; ঘৰ; হাতী; আকাশ।

অথবা

তলত দিয়া যি কোনো **এছোৱাৰ** ভাৱ-সম্প্ৰসাৰণ কৰা : ৫

(ক) আঁঠুৰা চাই ঠেং মেলা।

(খ) যি মূলা বাঢ়ে তাৰ দুপাততে চিন।

(গ) চোৰ গ'লে বুদ্ধি বৰষুণ গ'লে জাপি।

১৫। তলৰ যি কোনো **এটা** বিষয় বাছি লৈ এখন ৰচনা লিখা : ১০

(ক) কৰোনা ভাইৰাছ আৰু ইয়াৰ প্ৰতিকাৰ

(খ) তোমাৰ ভৱিষ্যৎ জীৱনৰ পৰিকল্পনা

(গ) শৈক্ষিক পৰিবেশ আৰু বিদ্যাৰ্থী

(ঘ) তুমি উদযাপন কৰা এটি উৎসৱ

(For Candidates without Internal Assessment)

১৬। তলৰ প্ৰশ্নকেইটাৰ চমু উত্তৰ দিয়া (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) কোনটো যুগক ভাৰতীয় সংস্কৃতিৰ যুগ বুলিব পাৰি?

(খ) ত্ৰয়োদশ শতিকাত অসমলৈ অহা বহিৰাগত গোষ্ঠী কোনটো?

(গ) কোনখন গ্ৰন্থ প্ৰকাশৰ পিছত নিউটনৰ প্ৰতিভাৰ কথা বিদ্যোৎমহলে গম পাইছিল?

(ঘ) অসমীয়া ভাষাৰ উৎকৃষ্ট অভিধান 'হেমকোষ'খন কোনে লিখিছিল?

(ঙ) ডিম্বেশ্বৰ নেওগৰ যি কোনো এখন কবিতাপুথিৰ নাম লিখা।

১৭। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) _____ মানুহজনে নিজৰ ঘৰ বিচাৰি পোৱা নাছিল।

(খ) আত্মাৰ আদেশ মানি
অতিক্ৰমি _____।

(গ) কৃপা কৰা নাৰায়ণ ছোড় _____ ।

(ঘ) কবিয়ো _____ মোক চৰণ কমলে।

(ঙ) _____ উত্তুঙ্গগিৰি, দক্ষিণে সাগৰ।

১৮। যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) ''বাৰে বাৰে সাজিছে কাৰেং
বিশ্ব সভ্যতাৰ''

কবিতাংশৰ জৰিয়তে কবিয়ে বিশ্ব সভ্যতাৰ কাৰেং সজা বুলি কিহক বুজাইছে, বিশ্লেষণ কৰা।

(খ) সাতমহলীয়া ঘৰৰ বাহিৰত ৰৈ থকা মানুহজনে কবিৰ স'তে কি কি কথা পাতিছিল, লিখা।

(গ) ব্যাখ্যা কৰা :

সজাৰ মইনাটিৰ অনেক যুগুতি।
দেও মাৰি পাৰ হ'লে এৰিলে পীৰিতি।।

১৯। তলত দিয়া যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৩

(ক) লিখক ভবেন্দ্রনাথ শইকীয়াই কেনেকৈ ফুটবল যোগাৰ কৰিছিল? ক'ত, কাৰ কাৰ লগত খেলিছিল?

(খ) লেখকে সাজি উলিওৱা চকৰিটোৰ বিষয়ে চমুকৈ লিখা।

(গ) লেখকৰ ঘৰমুৱা যাত্রাৰ এক চমু বৰ্ণনা দিয়া।

২০। তলৰ খণ্ড-বাক্যকেইটাৰ অর্থ প্রকাশ পোৱাকৈ বাক্য-ৰচনা কৰা (যি কোনো **পাঁচটা**) : ১×৫=৫

হাত লৰ; আলাসৰ লাড়ু; খাই পাত ফলা; চুচুক-চামাক; ধোদৰ পচলা; নপতা ফুকন; হৰি ভকত; বিনা মেঘে বজ্রপাত; কাণ বাগৰা।

★ ★ ★

AglaSem Earn While You Learn Program!

Share your recent question papers with us and get paid!
अपने हाल के प्रश्न पत्र हमें भेजें और कमाएँ!

To participate, email us with the following details:
भाग लेने के लिए हमें निम्न विवरण के साथ ईमेल करें:

- Your Name
- Your Class
- Your Board
- Details of the Question Papers you have
  आपके पास उपलब्ध प्रश्न पत्रों का विवरण

Our team will reach out to you with the next steps.
हमारी टीम आगे की प्रक्रिया के लिए आपसे संपर्क करेगी।

Email: **support@aglasem.com**

Study Materials

aglasem.com

Model Papers

Sample Papers

Half Yearly Sample Papers

Important Resources

Periodic Table

Writing Skills / Formats

Maps of India / World

Notes

- [ ] Class 6 Notes
- [ ] Class 7 Notes
- [ ] Class 8 Notes
- [ ] Class 9 Notes
- [ ] Class 10 Notes
- [ ] Class 11 Notes
- [ ] Class 12 Notes

Books and Solutions

NCERT Books

NCERT Book Solutions

HC Verma Chapter Wise Solutions

RD Sharma Solutions

CGBSE Solutions